**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটৰ নৱ নিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। ২৮ কোটি ৫০ লাখ টকা ব্যয়েৰে এই চৌহদ নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত থকা অসম মহিলা বিশ্ববিদ্যালয় চৌহদত দিনৰ ১২ বাজি ৪৫ মিনিটত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বৈদেশিক  পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, বিমল বৰাৰ উপৰি কেইবাগৰাকী সাংসদ, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ো উদ্বোধন কৰিব। তদুপৰি ৯ কোটি টকা ব্যয়সাপেক্ষে গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ অধীনত মৰিয়নিৰ চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয় আৰু মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰিব। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী লখিমপুৰলৈ যাব। ড° শৰ্মাই লখিমপুৰত ১১৮ কোটি টকা ব্যয়েৰে নিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰিব। জিলাখনৰ ছাবতি লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰত বিয়লি ৩ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লগতে স্মাৰ্ট এল ই ডি ষ্ট্ৰীট লাইট চিষ্টেম, পথ সুৰক্ষা উন্নীতকৰণ প্ৰকল্প, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম, লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰসূতি আৰু শিশু চিকিৎসালয়ৰ উন্নীতকৰণকে ধৰি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি আংলং জিলাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৩৯৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে ১২ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মিত খটখটি মিনি ষ্টেডিয়াম আৰু বোকাজান বিধানসভা সমষ্টিৰ বালিপথাৰ, চিলনীজান, বৰপথাৰ আৰু হিদিপিত সাপ্তাহিক বজাৰ প্ৰকল্প উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে কালি বিয়লি মহিলা উদ্যমিতা অভিযানৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰে। সমষ্টিটোৰ ২৯ হাজাৰ ৩১৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়।

০০০০০০

অসম প্ৰদেশ বিজেপিয়ে সামাজিক মাধ্যম বিভাগৰ জৰিয়তে বিকশিত অসম, অগ্ৰগামী অসম বিষয়ক সদৌ অসম ভিত্তিক ৰীল আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৰীলসমূহ কাইলৈৰ পৰা ১৫ মাৰ্চৰ ভিতৰত প্ৰস্তুত কৰি নিজৰ ফে'চবুক নাইবা ইনষ্টাগ্ৰাম পেজত দিব লাগিব। এই সন্দৰ্ভত এখন সংবাদমেলত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এইদৰে কয় –

**বাইট**

০০০০০০

ডিব্ৰুগড় জিলাৰ নামৰূপ আৰক্ষী থানাৰ নতুন ভৱনৰ কালি আধাৰশিলা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰৰ মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ৫৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ভৱনৰ আধাৰশিলা স্থানীয় বিধায়ক

তৰংগ গগৈয়ে স্থাপন কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপৰ লগতে কেইবাজনো উচ্চ পদস্থ আৰক্ষী বিষয়া উপস্থিত থাকে।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাউলধোৱা পঞ্চায়ত পূব সোৱণশিৰি যুৱ সমাজৰ মুকলি মঞ্চত বিজেপি ঢকুৱাখনা জিলা সমিতি, অসম গণ পৰিষদ আৰু সন্মিলিত গণশক্তি অসমৰ ঢকুৱাখনা জিলা সমিতিৰ সহযোগত কালি পঞ্চায়ত ভিত্তিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত বিধায়ক নৱকুমাৰ দলেৰ লগতে দলীয় কৰ্মকৰ্তাসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

ডিফু বালক উচ্চতৰ মাধ্যমিক খেলপথাৰত কালিৰেপৰা ৭ দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক উদ্যম সমাগম স্বদেশী মেলা অনুষ্ঠিত হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে কালি এই মেলাৰ শুভাৰম্ভ কৰে। ২ মাৰ্চলৈ চলিবলগীয়া এই মেলাত স্থানীয় উদ্যমীসকলে ভালেসংখ্যক বিপনী স্থাপন কৰিছে।

০০০০০০

সেনাবাহিনীত যোগদান কৰিবলৈ আগ্ৰহী শ্ৰীভূমি জিলাৰ যুৱক-যুৱতীসকলক অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১ এপ্ৰিলৰ ভিতৰত আবেদন কৰিব লাগিব। অগ্নিবীৰ জেনেৰেল ডিউটি, অগ্নিবীৰ ক্লাৰ্ক, অগ্নিবীৰ ট্ৰেডছমেন, অগ্নিবীৰ মিলিটাৰী পুলিচ, চিপাহী ফাৰ্মা আৰু ছ'লজাৰ টেকনিকেল পদত এই আবেদন বিচৰা হৈছে। বয়স আৰু শিক্ষাগত অৰ্হতা অনুসৰি প্ৰাৰ্থীৰ বয়স ১৭ বছৰ ৬ মাহৰ পৰা ২২ বছৰ হ'ব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে সেনাৰ অফিচিয়েল ৱেবছাইটযোগে আবেদন জনাব পাৰিব।

০০০০০০

**সমাপ্ত**